# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 18-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**------------------**

ooooo

নিৰ্বাচন আয়োগে কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বাবে পত্ৰ প্ৰেৰণ কৰাৰ পাছতে আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কোৱা অনুসৰি ভোটাৰৰ তথ্য ছপা কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া ২১ নৱেম্বৰলৈ চলিব। ২২ নৱেম্বৰৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে মৃত্যু হোৱা কোনো লোকৰ নাম ভোটাৰ তালিকাৰ থাকিলে কৰ্তনৰ ব্যৱস্থা কৰিব। আনহাতে অসমৰ কোনো লোকৰ নাম বহিঃৰাজ্যৰ ভোটাৰ তালিকাত থাকিলে তেনে লোকৰ নাম অসমৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে কোনো লোকক ঘৰত নাপালে তিনিবাৰ পৰ্যন্ত গৈ পুনৰীক্ষণ সম্পূৰ্ণ কৰিব লাগিব। সকলো তথ্য বিশেষ এপত সংগ্ৰহ কৰা হ'ব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে কয়, যে এটা ভোটকেন্দ্ৰত এহেজাৰ ২০০তকৈ অধিক ভোটাৰ নথকাৰ ব্যৱস্থা কৰা হ'ব। সেই অনুসৰি অসমৰ জনসংখ্যাৰ হিচাপত এহেজাৰ ৮২৬টা ভোটকেন্দ্ৰ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই বিষয়ে জিলা পৰ্যায়ত আলোচনা চলি আছে। একেখন সংবাদমেলতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে ফেব্ৰুৱাৰী মাহৰ পাছত ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ সম্ভাৱনা আছে। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ ১৫ দিনৰ ভিতৰত কোনো লোকৰ কিবা অভিযোগ থাকিব সেই অভিযোগ জিলা আয়ুক্তক দিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত অভিযোগ নিষ্পত্তি নহ'লে সেই অভিযোগ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি ৫৩ সংখ্যক ওপজা দিন। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

প্ৰিয় শিল্পীগৰাকীৰ অবৰ্তমানত আজি তেওঁৰ অগণন অনুৰাগীয়ে  তেওঁৰ ওপজা দিনটো পালন কৰি তেওঁৰ অস্তিত্বক মূৰ্ত কৰি তুলিছে। সোণাপুৰৰ কমাৰকুছিৰ জুবিন ক্ষেত্ৰত পুৱা ৰক্তদান শিবিৰ, নাম-প্ৰসংগ, নাহৰ পুলি ৰোপণ আৰু বিয়লি ৫ হাজাৰ গচি বন্তি প্ৰজ্বলন কৰা হৈছে। জুবিন ক্ষেত্ৰত ৫০০ আকাশবন্তিও প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান, ভাওনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিতি বাসগৃহৰ চৌহদত শিল্পীগৰাকীৰ এটা আৰক্ষমূৰ্তি উন্মোচন কৰা হয়। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ, শিল্পীগৰাকীৰ পিতৃ মোহিনী মোহন বৰঠাকুৰৰ লগতে বিভিন্ন দল-সংগঠন তথা

স্থানীয় জনসাধাৰণ এই কাৰ্যসূচীত উপস্থিত থাকে। আনহাতে, গুৱাহাটী বিশ্ববিদ্যালয়ত শিল্পীগৰাকীৰ স্মৃতিত এটা প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব।

শিল্পীগৰাকীৰ ওপজা দিন উপলক্ষে আজি শিলচৰত ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা ক্ৰীড়া সন্থা খেলপথাৰত আয়োজিত কাৰ্যসূচীত শিল্পীগৰাকীৰ কালজয়ী **মায়াবিনী ৰাতিৰ বুকুত** গীতটো অসমীয়া আৰু বাংলা ভাষাত সহস্ৰাধিক লোকে পৰিবেশন কৰি শিল্পীগৰাকীৰ প্ৰতি বৰাকবাসীৰ অকৃত্ৰিম ভালপোৱা প্ৰকাশ কৰে।

গান (মায়াবিনী)

যোৰহাট জিলাত আয়োজিত ৰক্তদান শিবিৰত মৰিয়নী বিধায়ক ৰূজ্যোতি কৰ্মী উপস্থিত থাকে। সদৰ থানাত আয়োজিত কাৰ্যসূচীত আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা উপস্থিত থাকি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

গোলাঘাট জিলাত বিজেপি আৰু অসম গণ পৰিষদে যৌথভাৱে আয়োজন কৰা ৰক্তদান শিবিৰ বিত্ত মন্ত্ৰী অজন্তা নেওগে মুকলি কৰে। এই কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা আয়ুক্ত পুলক মহন্ত উপস্থিত থাকে। ধেমাজি জিলাৰ স্বাস্থ্য ভৱনত আয়োজিত কাৰ্যসূচীত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰি জনসাধাৰণক ৰক্তদান কৰিবলৈ উৎসাহিত কৰে। ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ অন্তৰ্গত মৰাণৰ পিয়লি নগৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাই ৰক্তদান কৰে। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰত আয়োজিত ৰক্তদান শিবিৰত ৫০ৰো অধিক লোকে ৰক্তদান কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। বিশ্বনাথ জিলাত আয়োজন কৰা ৰক্তদান শিবিৰত ১০০গৰাকীতকৈ অধিক লোকে ৰক্তদান কৰে। ৰক্তদান কাৰ্যসূচীৰ লগতে জিলাখনৰ কমলাকান্ত নাট্য সমাজে অঞ্চলটোত ৫৩ জোপা নাহৰ পুলি ৰোপণ কৰে। ৰক্তদান শিবিৰত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল উপস্থিত থাকে। চৰাইদেউ জিলাৰ সোণাৰিৰ টীয়ক চাহ বাগিছা প্ৰেক্ষাগৃহত জীৱন সুৰভি শীৰ্ষক এটা ৰক্তদান শিবিৰত ৰাজ্যৰ পৰিবহন, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কক্ষত আজি মৰিয়নী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ উপস্থিতিত ৰে'ল বিভাগৰ বিষয়াসকলে এখন বৈঠক অনুষ্ঠিত কৰে। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত কঠালগুৰি আৰু ভেলেউগুৰি চাহ বাগানৰ ৰে'ল লাইনৰ সমস্যা আৰু লাহিং অঞ্চলত ৰে'ল লাইনৰ তলেৰে যোৱা দলং নিৰ্মাণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

সমাপ্ত